# পাঠ:১১

# অৰণ্য যাত্রা - অনুৰাধা শৰ্মা পূজাৰী

---

## ভাব বিষয়ক

প্রশ্ন ১। চমু উত্তৰ দিয়া :

( ক ) বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্রেণীৰ শিক্ষাৰ্থীসকলক কোনখন অৰণ্যলৈ নিয়াৰ সিদ্ধান্ত লৈছিল ?

উত্তৰঃ বিদ্যালয়ৰ অষ্টম আৰু নৱম শ্রেণীৰ শিক্ষাৰ্থীসকলক কাজিৰঙা অভয়াৰণ্যলৈ নিয়াৰ সিদ্ধান্ত লৈছিল ।

( খ ) পল আৰু পাহি কোন কোন শ্রেণীত পঢ়ে ।

উত্তৰঃ পল নৱম আৰু পাহি অষ্টম শ্রেণীত পঢ়ে ।

( গ ) পলে কোনবোৰ কাম ছোৱালীৰ বুলি কৈছে ?

উত্তৰঃ কাহী - বাটি , বাচন - বৰ্তন ধোৱা , ঘৰৰ আচবাবৰ ধূলি মচা - সৰা আদি কামবোৰক পলে ছোৱালীৰ বুলি কৈছে ।

( ঘ ) লৰ্ড কাৰ্জন কোন ?

উত্তৰঃ লৰ্ড কাৰ্জন হ'ল- ব্রিটিছ ভাইচৰয় ।

প্রশ্ন ২। ল'ৰা - ছোৱালীৰ কামৰ পাৰ্থক্য দেখি পাহিয়ে মাকক কি কৈছিল ? মাকে তাৰ প্রত্যুত্তৰত পাহিক কি বুজনি দিছিল ?

উত্তৰঃ ল'ৰা - ছোৱালীৰ কামৰ পাৰ্থক্য দেখি পাহিয়ে মাকক এইবুলি কৈছিল— “ মা , ল'ৰা আৰু ছোৱালীৰ কামবোৰ কোনে পৃথক কৰিলে ? ময়ো দেখোন দাদাৰ দৰেই পঢ়া শুনা কৰে । দাদাই কিয় নিজৰ পিন্ধা কাপোৰ জাপি নথয় , জোটাযোৰ পৰিষ্কাৰকৈ নাৰাখে , গা ধোৱাৰ পাছত তিতি থকা গামোচাখন কিয় বিছনাতে পেলাই থৈ যায় ? দাদাই এই কামবোৰ কিয় তুমি কৰি দিবা বুলি ভাবে বা মই কৰি দিম বুলি ভাবে ? ল'ৰাই নিজৰ জোটাযোৰ পৰিষ্কাৰ কৰিব নালাগে বা নিজে খোৱা কাঁহীখন কেতিয়াও ধুব নালাগে বুলি ক'ৰবাত লিখা আছে নেকি ? ”

মাকে তাৰ প্রত্যুত্তৰত পাহিক এইবুলি বুজনি দিলে— “ পাহি সোণজনী , তুমি নিজেই দেখিছা , তোমালোকে যি বয়সত যিবোৰ কাম কৰিব পাৰা , সেই কাম বয়স অনুযায়ী মই শিকাই আহিছোঁ তোমালোক দুয়োটাকে । তোমালোকে পঢ়া - শুনা কৰি ভাল চাকৰি বা ব্যৱসায় কৰিবা , ধন উপাৰ্জন কৰিবা । কিন্তু প্রয়োজনীয় কামখিনি কৰিব নাজানিলে পৰনিৰ্ভৰশীল হ'বলৈ বাধ্য হ'বা । তেতিয়া কেতিয়াবা সময়েও তোমোলাকক ঠগিব আৰু মানুহেও ঠগিব ।

প্রশ্ন ৩ প্রকৃতিৰ কোনবোৰ সুন্দৰ নিয়মে পাহিক আকৃষ্ট কৰে ?

উত্তৰঃ  পাহিহঁত নগৰত বাস কৰে যদিও প্ৰকৃতিৰ সুন্দৰ নিয়মবোৰে পাহিক বৰকৈ আকৃষ্ট কৰে । প্ৰতিজোপা গছৰ ৰং ভিন্ন , পাতৰ আকাৰ ভিন্ন , তামোল গছৰ কাষতে আমগছ  জোপাৰ চেহেৰাৰ মিল নাই , দুজোপা ভিন্ন ধৰণৰ গছ যদিও ওচৰা - উচৰিকৈ মিলা - প্ৰীতিৰে থাকে । আকৌ কলগছ জোপাৰ কাষতে থাকে নেমুজোপা , নেমুৰ কাঁইটে কলগছজোপাক কেতিয়াও বিন্ধিবলৈ নাযায় । প্ৰকৃতিৰ এই সুন্দৰ নিয়মবোৰ গছবোৰে মানি চলে । সেইবাবেই প্ৰকৃতিৰ এই নিয়মবোৰে পাহিক আকৃষ্ট কৰে ।

প্ৰশ্ন ৪। কাজিৰঙালৈ যাবলৈ ওলাওঁতে পাহি আৰু পলক মাক আৰু দেউতাকে কি উপদেশ দিছিল ?

উত্তৰঃ মাকে এইবুলি উপদেশ দিছিল যে সিহঁত  পৃথিৱীৰ ভিতৰতে যশস্যা থকা এখন অৰণ্যলৈ যাবলৈ ওলাইছে , অৰণ্যৰ পৰা শিকিবলগা বহুত কথা আছে । যিমান পাৰে শিকিব আৰু নিজৰ লগতে নিজৰ বয়বস্তুবোৰ চম্ভালিব ।

দেউতাকেও শিক্ষকৰ লগ নেৰিবলৈ , যি কয় সেইমতে চলিবলৈ ক'লে । আনহাতে তেওঁ সিহঁতৰ খবৰ লৈ থাকিম বুলি ক'লে ।

প্ৰশ্ন ৫। “ কামত ল'ৰা - ছোৱালী বুলি ভাগ নাই । যেনেকৈ কাম ভাগ কৰি দিছোঁ । তেনেকৈ কৰা । ” — এই কথাষাৰৰ বক্তা কোন ? তেওঁ কিয় এই কথাষাৰ ক'বলগীয়া হৈছিল , আঁতিগুৰি মাৰি লিখা ।

উত্তৰঃ  এই কথাষাৰৰ বক্তা আছিল পাহি - পলহঁতৰ অঙ্কৰ শিক্ষক ৰঞ্জিত হাজৰিকা ছাৰৰ ।
কাজিৰঙা অভয়াৰণ্যলৈ গৈ থকা অৱস্থাতে বাছৰ ভিতৰতে শিক্ষকসকলে ছাত্ৰ - ছাত্ৰীৰ মাজৰ পৰা নেতা - নেত্ৰী পাতি দিছিল । পাহি আৰু বিদিশাক দায়িত্ব দিয়া হৈছিল বাছত থকা ছাত্ৰ - ছাত্ৰীৰ সংখ্যা গণনা কৰিবলৈ আৰু অসুবিধাসমূহলৈ মন দিবলৈ। নৱম শ্ৰেণীৰ সৌৰভ আৰু আফতাবক দায়িত্ব দিয়া হৈছিল খাদ্য বস্তুৰ পেকেট আৰু পানীৰ বটল সকলোৰে মাজত সমভাৱে বিতৰণ কৰিবলৈ । সৌৰভে কামটো টান পাই কৈছিল ‘ পাহি আৰু বিদিশাই খাদ্য বিলাওক , আমি সিহঁতক দিয়া কামটো কৰে , কাৰণ আমি ল'ৰা , লগৰীয়াবোৰে , উৎপাত কৰিলে শাসনো কৰিব পাৰিম আৰু অসুবিধাবোৰলৈও মন দিব পাৰিম । আফতাবেও সৌৰভৰ কথাত হয়ভৰ দিলে ।

তেতিয়া অংকৰ শিক্ষক ৰঞ্জিত হাজৰিকা ছাৰে খং কৰি উক্ত কথাষাৰ কৈছিল ।

প্ৰশ্ন ৬। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পল - আফতাবহঁত কি বিপদত পৰিছিল ? এই বিপদৰ পৰা সিহঁতক কোনে উদ্ধাৰ কৰিছিল ?

উত্তৰঃ পাহি - পলহঁত কাজিৰঙা গৈ পোৱাৰ পিছত শিক্ষক - শিক্ষয়িত্ৰীসকলৰ পৰামৰ্শক্ৰমে আলহীঘৰৰ নিৰ্দিষ্ট কোঠাত নিজা নিজা বিছানাপত্ৰ পাৰি খেলত ব্যস্ত হ'ল আৰু কিছুমানে ৰং , কাগজ উলিয়াই ছবি আঁকাত লাগিল । পিছে পল , আফতাব আৰু সৌৰভে এইবোৰ একো নকৰি কোনেও ক'ব নোৱৰাকৈ আবাসৰ পিছফালে গৈ শিকলিৰে বান্ধি থোৱা জপনা বগাই পাৰ হ'ল । সিহঁতৰ আটাইৰে মন বোমাঞ্চিত হৈ পৰিল । একেবাৰে নিৰ্জন ঠাইখনত মনৰ আনন্দতে তিনিও অলপ আগুৱাই গৈ আধা অংশ মেটেকাৰে আগুৰি থকা এটা পুখুৰী আৰু তাত বান্ধি থোৱা এখন নাও দেখা পালে । নাও বোৱাৰ আনন্দত বান্ধি থোৱা ঠাইৰ পৰা নাওখন এৰি দি তিনিও নাৱত উঠি বাই নিবলৈ ধৰিলে । সিহঁতৰ  এজনেও ভালদৰে নাও বাব বা সাঁতুৰিব নাজানিছিল ।

নাও গৈ মেটেকাৰ মাজত সোমোৱাৰ লগে লগে নাওৰ এটা ফুটাইদি নাৱৰ ভিতৰলৈ জোৰেৰে পানী সোমাবলৈ ধৰিলে । তাৰ পৰা ৰক্ষা পাবলৈ কোনো উপায় নাছিল। নাওখন পানীত ডুবিলেই তিনিওজনৰে মৃত্যু অনিবাৰ্য । কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পলহঁত এই বিপদত পৰিছিল ।

ইয়াৰ পৰা উদ্ধাৰ পাবলৈ তিনিও কান্দি কান্দি চিঞৰিবলৈ ধৰিলে ( আমি মৰিলো , বচোৱা , কোন আছা আমাক বচোৱা ) । ইতিমধ্যে নাওখন কাতি হৈ পল পানীত পৰিল । আফতাব আৰু সৌৰভে চিঞৰত গগণ ভেদিলে । এনেতে পাছজনী মাছমৰীয়া ছোৱালী জাকৈ-খালৈ লৈ সেইপিনে গৈ থাকি সিহঁতৰ চিঞৰ শুনি আৰু অৱস্থা দেখি তালৈ দৌৰি গ'ল আৰু সিহঁতৰ দুজনী ডাঙৰ ছোৱালীয়ে একে জাপে পানীত নামি সাঁতুৰি গৈ নাওসহ সিহঁত তিনিওকে পাৰলৈ তুলি আনিলে।পলে যথেষ্ট পানী খাইছিল । তাৰে এজনী ছোৱালীয়ে তাৰ পেটত হেচুকি পানীখিনি উলিয়াই তাক সুস্থ কৰি তুলিলে ।

এনেদৰেই সেই মাছমৰীয়া ছোৱালীকেইজনীয়ে সেই বিপদৰ পৰা সিহঁতক উদ্ধাৰ কৰিছিল ।

প্ৰশ্ন ৭। শিক্ষক - শিক্ষয়িত্ৰীসকলে অৰণ্য দৰ্শন কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল ? ইয়াৰ পিছত পৰিস্থিতি কি হ'ল বহলাই লিখা ।

উত্তৰঃ পল , আফতাব আৰু সৌৰভে শিক্ষকৰ কথা অমান্য কৰি যি বিপদত পৰিছিল আৰু কোনো ৰকমেহে প্ৰাণ ৰক্ষা পৰিল বিদ্যালয়খন । এটা ডাঙৰ বদনামৰ পৰা উদ্ধাৰ পালে । সিহঁতৰ এই দুৰ্ঘটনাই আৰু কাৰ্যই সকলোকে দুখ দিছে । এই কাৰণেই শিক্ষক শিক্ষয়িত্ৰীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী বাতিল কৰিব খুজিছিল । ছাৰসকলৰ এই কথাত ছাত্ৰ - ছাত্ৰীসকলৰ মনত বৰ বেয়া লাগিল আৰু পলহঁতলৈ খং উঠিল । তেতিয়া পলে সকলোৰে ওচৰত ক্ষমা খুজি ছাৰসকলে যি শাস্তি দিয়ে তাকে ল'বলৈ সাজু বুলি কৈ সিহঁতৰ বাবেই অৰণ্য দৰ্শন বাতিল কৰিব নালাগে বুলি অনুৰোধ জনালে । সিহঁত তিনিওকে এৰি বাকীসকলক অৰণ্য দৰ্শনলৈ লৈ গ'লেই সিহঁতৰ ডাঙৰ শাস্তি হ'ব বুলি ক'লে । ইয়াৰ পিছত নিশা ভাত খাই উঠি ছাত্ৰ - ছাত্ৰীসকলৰ আগত ঘোষণা কৰিলে 'ইয়াৰ পৰা গৈ তোমালোকে এই যাত্ৰাৰ অভিজ্ঞতাৰে এখন ৰচনা লিখি আমাক দিব লাগিব । পল , সৌৰভ আৰু আফতাবে আজি কৰা বেয়া কামটোৰ বিষয়ে আৰু কথমপি মৃত্যুমুখৰ পৰা ৰক্ষা পৰাৰ বিষয়ে সকলো কথা ৰচনাত স্বীকাৰ কৰি লিখিব লাগিব । তেতিয়াহে কাইলৈ পুনৰাই আমি সকলো সাজু হম অৰণ্য দৰ্শন কৰিবলৈ ।'

লগে লগেই সকলোৱে ফুৰ্তিত চিঞৰি উঠিল আৰু হাতচাপৰি বজালে । পলহঁতে ক'লে, 'আমি ৰচনাত সকলো লিখিম আৰু জীৱনত এনে কাম নকৰোঁ ছাৰ –ধন্যবাদ , আমাকো যাবলৈ দিয়াৰ বাবে ।

প্ৰশ্ন ৮। মহীচন্দ্ৰ মিৰি কোন ? কাজিৰঙাক বিশ্ব দৰবাৰত চিনাকি কৰাই দিবলৈ তেওঁ কেনে ভূমিকা লৈছিল ?

উত্তৰঃ মহীচন্দ্ৰ মিৰি আছিল কাজিৰঙাৰ প্ৰথম ভাৰতীয় তথা অসমীয়া বন বিষয়া । তেওঁ কাজিৰঙাৰ গঁড় আমেৰিকা যুক্তৰাষ্ট্ৰৰ ছিৰিয়াখানালৈ পঠিয়াই কাজিৰঙা অৰণ্য যে গঁড়ৰ বসতিস্থল , সেই কথা সমগ্ৰ জগতক প্ৰথম জনালে । বিশ্ব মানচিত্ৰত কাজিৰঙাক চিনাকি কৰি দিয়া প্ৰথম ব্যক্তিগৰাকী হ'ল মহীচন্দ্ৰ মিৰি ।

প্ৰশ্ন ৯। নিগিনা চিকাৰীৰ প্ৰকৃত নাম কি ? তেওঁ কাক প্ৰথমে কাজিৰঙাৰ গড় দেখুৱাইছিল ?

উত্তৰঃ নিগিনা চিকাৰীৰ প্ৰকৃত নাম হ'ল – বাপীৰাম হাজৰিকা । তেওঁ প্ৰথম লেডী কাৰ্জনক গঁড় দেখুৱাইছিল ।

প্ৰশ্ন ১০। কাজিৰঙালৈ যাত্ৰা কৰি কি কি বিশেষ শিক্ষা লাভ কৰিলে বুলি শিক্ষাৰ্থীসকলে শিক্ষক - শিক্ষয়িত্ৰীসকলক অৱগত কৰিছিল ?

উত্তৰঃ কাজিৰঙালৈ যাত্ৰা কৰি শিক্ষাৰ্থীসকলে যি বিশেষ শিক্ষা লাভ কৰিলে তাক শিক্ষক - শিক্ষয়িত্ৰীসকলৰ আগত এইদৰে অৱগত কৰিছিল—

পাহিয়ে ক'লে যে নিজে কৰিব পৰা কামসমূহ নিজেই কৰিব লাগে , আনে কৰি দিব বুলি বাট চাব নালাগে । বিদিশাই ক'লে যে গছ হ'ল বনৰ জীৱ - জন্তু আৰু মানুহৰ বন্ধু , গছ নহ'লে কোনো জীয়াই থাকিব নোৱাৰে । পলে ক'লে যে ল'ৰা আৰু ছোৱালী সকলো সমান । ছোৱালীকেইজনীয়ে সিহঁতক সেই বিপদৰ পৰা উদ্ধাৰ নকৰিলে সিহঁতে কাজিৰঙাই দেখা নাপালেহেঁতেন ।আফতাবে ক'লে যে আত্মৰক্ষা কৰিব নাজানিলে মৰসাহ কৰাটো মূৰ্খৰ কাম । শেষত সৌৰভে ক'লে যে দলীয়ভাৱে ক'ৰবালৈ গ'লে অনুশাসন - শৃংখলা মানি চলাটো জৰুৰী কথা ।

## ভাষা বিষয়ৰ প্ৰশ্নোত্তৰ :

প্ৰশ্ন ১১। বাক্য ৰচনা কৰা

উত্তৰঃ ককাই - ভনী :- ঘৰখনত ককাই - ভনী আটায়ে মিলা - প্ৰীতিৰে থাকিব লাগে ।

টুলুং ভুটুং :- নাওখনে পানীত টুলুং ভুটুং কৰাত নাওখনত থকা সৰু ল'ৰা ছোৱালীকেইটিয়ে ভয়তে চিঞৰিলে ।

চিঞৰ বাখৰ :- চিঞৰ-বাখৰ কৰি থাকিলে বৰ অশান্তি লাগে ।

মানুহ-দুনুহ :- মানুহ দুনুহ কোনো নাই , ঘৰখন উদং হৈ আছে ।

তিতি-বুৰি_:- নাৱৰ পৰা পানীত পৰি পলহঁত তিতি-বুৰি আহিছিল ।